# বিশ্বায়ন অৰ্থনীতিৰ প্ৰেক্ষাপটত গান্ধীবাদী দৰ্শনৰ প্ৰাসংগিকতা

❑ ড° অনিল কুমাৰ শইকীয়া

বহল অৰ্থত ক'বলৈ গলে বিশ্বায়ন হৈছে অৰ্থনীতি আৰু সামাজিক দিশৰ এক সমন্বয় য'ত দেশ অতিক্ৰমি হয় তথ্য ধাৰণা প্ৰযুক্তি কৌশল, সামগ্ৰী, সেৱা, মূলধন, বিত্ত আনকি জনসাধাৰণো, বিশ্বায়ন প্ৰক্ৰিয়াটো কঢ়িয়াই আনিছে উদাৰীকৰণ অনিয়ন্ত্ৰণ আৰু বেচৰকাৰীকৰণৰ দ্ধাৰা। উদাৰীকৰণ নীতিয়ে উৎসাহিত কৰে মুক্ত বজাৰ আৰু বৈদেশিক মূলধনৰ মুক্ত প্ৰবাহ যি দক্ষতা আৰু বৃহৎ লাভ আহৰণ উৎসাহিত কৰে। অনিয়ন্ত্ৰণ ব্যৱস্থাই সকলো অৰ্থনৈতিক প্ৰতিবন্ধকতা আঁতৰাই মুক্ত প্ৰতিযোগিতা শক্তিশালী কৰে। সেইদৰে বে চৰকাৰীকৰণ হৈছে এক বিকল্প পদ্ধতি যি দক্ষতা বৃদ্ধি কৰে আৰু প্ৰতিবন্ধকতাহীন অৰ্থনীতিক উপযোগী কৰি তোলে। এই নীতিয়ে উৎপাদন আৰু মূলধন পৰিৱৰ্তন আৰু ভোক্তাৰ পছন্দক উন্নীতকৰণক উৎসাহিত কৰে। ভোক্তাৰ ন্যায়সংগত ব্যৱস্থাক আৰ্ন্তজাতিক প্ৰতিষ্ঠান যেনে বিশ্ববেংক, আৰ্ন্তজাতিক মুদ্ৰা নিধি আৰু বিশ্ব বাণিজ্য সংস্থাই অধিক সম্ভৱ কৰি তোলে। উন্নীতকৰণৰ অৰ্থ হৈছে পথ আৰু যোগাযোগৰ সহযোগত উৎপাদন পৰিৱৰ্তনৰ প্ৰক্ৰিয়াক বিশ্বায়ন অৰ্থনীতিলৈ প্ৰক্ষেপ কৰে আৰু এই পৰিৱৰ্তনক এক গোটলৈ ৰূপান্তৰ ঘটায়।

বিশ্বায়নৰ ইতিবাচক ফল কি বুলি ক'লে সাধাৰণতে জনসাধাৰণৰ বিশ্বমুখী সচেতনতা বৃদ্ধি, বিশ্বৰ সমস্যাসমূহৰ প্ৰতি মনোনিৱেশ যেনে বিশ্ব উষ্ণতা, বিশ্বব্যাপী দেখা দিয়া খোৱাপানীৰ সংকট, সন্ত্ৰাসবাদ, বিভিন্ন ধৰ্মীয় মৌলবাদ, স্বাস্থ্য সম্পৰ্কীয় বিষয়, মহিলাৰ ক্ষেত্ৰত হোৱা বিভিন্ন অপৰাধ আদি। এই বিলাক একমাত্ৰ উন্নত দেশৰেই সমস্যা নহয়, বিশ্বৰ প্ৰতিজন নাগৰিকৰ বাবেই ভয়াবহ সমস্যা। তেনে দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে বিশ্বায়নৰ পৰা সুফল লাভ কৰিব পাৰে। ইয়াৰ বিপৰীতে কিন্তু বিশ্বায়নৰ নেতিবাচক ফলাফল অত্যন্ত নিষ্ঠুৰ। স্পষ্টকৈ ক'বলৈ গ'লে বিশ্বায়নে একপ্ৰকাৰ নব্য উপনিৱেশবাদ প্ৰতিষ্ঠা কৰিব বিচাৰে।

অৰ্থনীতিত বহুজাতীয় নিগম আৰু অন্যান্য বহুসংখ্যক আন্তৰ্জাতিক সংগঠনৰ আধিপত্য বিস্তাৰ, মজুৰি হ্ৰাস অথবা মজুৰি অবিহনে উৎপাদনশীলতা বৃদ্ধিৰ উপৰি সামাজিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে মানুহৰ কৰ্ম অভ্যাস আৰু জীৱিকা নিৰ্বাহৰ পদ্ধতিৰ পৰিৱৰ্তন, বিশ্বায়নমুখী প্ৰতিযোগিতাৰ বাবে জাতীয় অৰ্থনীতিক দায়বদ্ধ কৰি তোলা আদিৰে সামাজিক পৰিৱৰ্তন আৰু অৱস্থানৰ পৰিৱৰ্তন ঘটাই সমাজিক কাৰ্যকৰীতাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি অহাতো সততে পৰিলক্ষিত হয়।

সম্প্ৰতি বিশ্বায়নৰ প্ৰেক্ষাপটত গান্ধীবাদী দৰ্শনৰ প্ৰাসংগিকতা কিমান এইটো অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈ থিয় দিছে। বিশ্বায়নৰ নীতি আৰু গান্ধীবাদী নীতি দুয়োটাই মূলতঃ উৎপাদন সৰ্ম্পকে আলোচনা কৰিছে। প্ৰকৃততে বিশ্বায়নৰ মূলশিপাডাল সোমাই আছে অত্যাধিক উৎপাদনত আৰু গান্ধীবাদে বিশেষভাৱে গুৰুত্ব আৰোপ কৰে সংখ্যাধিক মানুহৰ দ্বাৰা উৎপাদন কাৰ্যক।

গান্ধীজীয়ে বিশ্বাস কৰিছিল যে অত্যাধিক উৎপাদকৰ দ্বাৰা আধিপত্যকাৰী ৰাষ্ট্ৰই দুৰ্বল অথবা অসংগঠিত জাতিগোষ্ঠীৰ ওপৰত নিয়ন্ত্ৰণ কৰি শোষণ অব্যাহত ৰাখিব বিচাৰে যিটো সাম্প্ৰতিক অৰ্থব্যৱস্থাত প্ৰতিফলন ঘটি আছে। উন্নত ৰাষ্ট্ৰসমূহে বৃহৎ মাত্ৰাত উৎপাদন কৰি তৃতীয় বিশ্বত বজাৰ সম্প্ৰসাৰণ ঘটাই যাৰ ফলত উন্নয়নশীল দেশৰ ঘৰুৱা অৰ্থনীতিৰ অৱনতি ঘটে। সেয়ে গান্দীজীয়ে কৈছিল when production and consumption both become localised, the temptation to speed up production indefinitely and at any price, disappears. All the endless difficulties and problems that our present day economic system presents too would then come an end .

প্ৰকৃততে উৎপাদন সম্পৰ্কীয় গান্ধীজীৰ ধাৰণাত প্ৰধানকৈ সংপৃক্ত হৈ আছে গ্ৰাম্য অৰ্থনীতিৰ এক মৌলিক দৰ্শন। বিশ্বায়ন নীতিৰ আৱৰ্তত সমগ্ৰ বিশ্বখন এখন গাঁৱলৈ পৰিৱৰ্তন ঘটিছে যাক আমি Global village বুলি ক'ব পাৰো। ইয়াৰ বিপৰীতে গান্ধীজীয়ে



সদায়ে Global of village অৰ্থাৎ গ্ৰাম্যৰ গোলকীকৰণ ধাৰণাটো সম্প্ৰসাৰণ ঘটাব বিচাৰিছিল। সেয়ে তেওঁ কৈছিল I would say that if the village perishes, India will perish too. India will be no more India. Her own mission in the world village lost.

গান্ধীজীৰ দৃষ্টিভংগীত এখন গাওঁ বিকাশ হোৱা মানে গাওঁখন আত্মনিৰ্ভৰশীল আৰু স্বকীয় কৰ্ম পৰিচালনাৰে সক্ষম হৈ বিশ্বখনৰ বিপৰীতে নিজস্ব ভাৱে বিকশিত হোৱা। আত্মনিৰ্ভৰশীল হ'বলৈ হ'লে জনগণৰ মৌলিক প্ৰয়োজনীয়তাখিনি পূৰণ কৰিব পৰাকৈ অধিক উৎপাদনত গুৰুত্ব দিব লাগিব। প্ৰকৃততে গ্ৰাম্যৰ গোলকীকৰণ ধাৰণাটো মৌলিক বিষয় হৈছে স্বদেশী। তেওঁ বিশ্বাস কৰিছিল যে আমি যদি স্বদেশীৰ উদ্যমেৰে অগ্ৰসৰ হওঁ তেনেহ'লে প্ৰতিখন গাওঁ উদ্যোগেৰে ভৰি পৰিব য'ত বৃহৎ জনগণৰ দ্বাৰা উৎপাদন সম্ভৱ হৈ উঠিব। সম্প্ৰতি বিশ্বৰ সমজাতীয় সংস্কৃতি যি মেকডনাল্ড অথবা কোকাক'লা নিচিনা বৃহৎ বহুজাতিক নিগম সমূহে বহন কৰি আনিছে। তেনে প্ৰসংগত গান্ধীজীৰ বক্তব্য আছিল অতি স্পষ্ট- What is good for one nation suited in one condition is not necessarily good enough for another diffrently suited. One man`s poison physical geography of a country has a predominant share in ditermining its culture .

গান্ধীজীৰ স্বদেশী আৰু থলুৱা সংস্কৃতিৰ ধাৰণাটোৰ বিপৰীতে বিশ্বায়ন প্ৰক্ৰিয়াই যোগাযোগ আৰু পৰিবহনৰ উন্নতিৰ সহায়ত স্থানীয় সংস্কৃতি বিশ্বায়ন সংস্কৃতিলৈ পৰিৱৰ্তন ঘটাবলৈ চেষ্টা কৰে। প্ৰকৃততে এই কথা বিশ্বাসযোগ্য যে যদিও বিশ্বায়ন শক্তিৰ অৱস্থিতি সৰ্বত্ৰ প্ৰতিফলিত হৈছে তথাপি ইয়াৰ দ্বাৰা এইটো নুবুজাই যে স্থানীয় ক্ষেত্ৰসমূহৰ কোনো গুৰুত্ব নাই। বিশেষ স্থান আৰু বিশেষ সংস্কৃতি কেতিয়াও অপসাৰিত নহয় আৰু চূড়ান্তভাৱে কাহানিও পৰিৱৰ্তন নঘটে। সেয়ে এইটো ক'ব পাৰি যে বিশ্বায়ন সংস্কৃতি অথবা গোলকীয় গাঁৱৰ পৰিৱৰ্তন হোৱাৰ প্ৰয়োজন আছে যদিও গোলকীয় সংস্কৃতি অথবা গোলকীয় গাঁৱৰ অৱস্থানটো গাঁৱৰ ভিতৰতেই অৱস্থান সম্ভৱ কৰি তুলিবলৈ গান্দীজীৰ লক্ষ্যত সমুজ্জল হৈ আছিল।

বিশ্বায়ন আৰু গান্ধীবাদ এই দুইটা দৰ্শনৰ চূড়ান্ত লক্ষ্যক বিশ্লেষণ কৰা হয় তেনেহ'লে গান্ধীজীৰ দৰ্শনত মূৰ্ত হৈ উঠে মানুহৰ পৰমতম কল্যাণকামী চিন্তা। যিটো আত্মকৰ্মৰ দ্বাৰা অথবা বস্তুবাদী দৃষ্টিভংগীৰে স্থানীয়ভাৱে উৎপাদন সৰ্বোচ্চভাৱে আহৰণ কৰা। এইটো দিশ গান্ধীবাদত নিৰ্দিষ্টৰূপত প্ৰকাশ পোৱা নাই, তথাপি ইয়াৰ লক্ষ্যত নিহিত হৈ আছে প্ৰকৃত উন্নয়ন কৌশল। আধুনিক বিশ্বায়নৰ পোষকতা কৰা অৰ্থনীতিবিদ সকলে ক'ব খোজে যে কল্যাণ হৈছে বৃহৎ মাত্ৰাত ভোগৰ দ্বাৰাগঠিত বৈষয়িক সম্পদ। সামগ্ৰীৰ প্ৰাচুৰ্যতা যিমানেই বৃদ্ধি পাই সিমানেই সামগ্ৰীৰ বৈষয়িক ভোগৰ পৰিমাণো বাঢ়ি যায়। সেয়ে বিশ্বায়ন নীতিত হৈ আছে আনহাতে গান্ধীবাদত অন্তৰ্নিহিত হৈ আছে অৰ্থাৎ নৈতিকতাকেন্দ্ৰিক অৰ্থব্যৱস্থা ।

প্ৰকৃততে লাভ আহৰণ কাৰ্যটো কোনো অপৰাধযোগ্য কাৰ্য নহয়। এজন ব্যৱসায়ীয়ে লাভ আহৰণ কৰিব বিচৰাটোৰ ক্ষেত্ৰত তেওঁৰ অধিকাৰ আছে। তথাপি ব্যৱসায়ীজনে নৈতিকতাৰ এক সীমাৰ আৱেষ্টনীত থাকি লাভ আহৰণ কৰিব লাগিব। গান্ধীৰ ভাষাতেই ক'ব পাৰি A capitalist that he should do that because he himself away kept his personal or public operation well within the bounds of morality. কিন্তু সাম্প্ৰতিক সময়ত বিশ্বায়নৰ পোষকতা কৰা পুঁজিপতিয়ে তেওঁলোকৰ অধিকাৰ হেৰুৱাই পেলাইছে। কাৰণ তেওঁৰ ব্যক্তিগত কৰ্মই নৈতিকতাক অতিক্ৰম কৰি শোষণৰ শক্তিৰে বলিয়া হৈ উঠিছে।

বিশ্বায়ন নীতিয়ে বহুজাতিক বাণিজ্যত উৎসাহিত কৰি একশ্ৰেণী মুষ্ঠিমেয় লোকৰ হাতত সম্পদ কেন্দ্ৰীভূতকৰণক লক্ষ্য হিচাপে প্ৰতিষ্ঠা কৰিব বিচাৰিছে। এই সকলৰ বৃহৎ পৰিমাণৰ পুঁজি অনুদান আগবঢ়াই উন্নযয়নশীল ৰাষ্ট্ৰ সমূহক নিয়ন্ত্ৰণ কৰিছে আৰু এনে নিয়ন্ত্ৰণৰ ফলশ্ৰুতিত শোষণ আৰু শাসন দুয়োটাই অৱধাৰিত হৈ পৰিছে। ইয়াৰ পৰিণামত জাতীয় সত্বা আৰু সাংস্কৃতিক সত্বাৰ পৰিচয় বহন কৰা গ্ৰাম্য অৰ্থনীতি প্ৰৱল ধ্বংসৰ গৰাহত পৰি ইয়াৰ অস্তিত্ব বিপন্ন হৈ উঠিছে।

বিশ্বায়ন নীতিবোৰে একমাত্ৰ মানবীয় প্ৰমূল্যকে ধ্বংস কৰা নাই, ইয়াৰ দ্বাৰা বিশ্ব প্ৰকৃতিৰো অশেষ ক্ষতিসাধন হৈছে। সেয়ে গান্ধীজীয়ে এই প্ৰসংগত অতি সাৰ্বজনীন বক্তব্য আগবঢ়াই থৈ গৈছিল- If you are satisfy your need , the earth will supply every thing for you. If it is good for greed the world can never satisfy that . It will destroy the whole of nature.Do not go greed, live at the level of need only . Then nature will supply everything for you .

*ভ্ৰাম্যভাষ ঃ ৯৮৫৪২১৫৯৬০১*

যুগবাৰ্তাৰ অহা সংখ্যাটো বৰ্ষপূৰ্তি উপলক্ষে ১৭ জানুৱাৰী, ২০১৮ তাৰিখে প্ৰকাশ পাব। তদুপলক্ষে যুগবাৰ্তাৰ প্ৰতিজন লেখক-লেখিকা, সম্বৰ্ধিত ব্যক্তি, স্বীকৃত শিল্পী সকলোকে সন্মান যচাঁ হ'ব। লগতে দুজন লেখকক যুগবাৰ্তা-বঁটা প্ৰদান কৰা হ'ব। গতিকে উক্ত তাৰিখত সকলোকে বৰ্ষপূৰ্তি অনুষ্ঠানত উপস্থিত থাকিবলৈ অনুৰোধ জনালো।

**মুখ্য উপদেষ্টা ঃ** আনন্দ শইকীয়া

চিনামৰা মহাবিদ্যালয়ৰ প্ৰকাশনৰ হৈ ব্যৱস্থাপক ড° অঞ্জন শইকীয়াৰ দ্বাৰা প্ৰকাশিত আৰু 'অসমীয়া খবৰ' পুলিবৰ যোৰহাটত মুদ্ৰিত ঃ মুখ্য কাৰ্যালয় ঃ চিনামৰা মহাবিদ্যালয়, চিনামৰা, যোৰহাট, ফোন ঃ **৯৮৬৪৯৬৫০১৮, ৯৪৩৫৭৩৮৬৪৫, ৮৮২২৯১৯১৩১।** E-mail : editoryogabarta@gmail.com.

**মুখ্য সম্পাদক ঃ** দ্বীপেন নাথ (অবৈতনিক)
**কাৰ্যবাহী সম্পাদক ঃ** মৃদুল শইকীয়া (অবৈতনিক)
**সহঃ সম্পাদক ঃ** তৰুণ শইকীয়া, সীমান্ত বৰা, নিপুল শইকীয়া, বিপিন বড়া (অবৈতনিক)